পাঠঃ ১৬

মোগল ৰাজত্ব কালত ভাৰতবৰ্ষ

2IANR7

মূল অৰ্হতা ঃ

- মোগল ৰাজত্ব কালৰ সময়ছোৱাৰ লগত পৰিচয় হ'ব।
- মোগল ৰাজত্ব কালৰ ভৌগোলিক পটভূমিৰ লগত পৰিচয় হ'ব।
- মোগল ৰাজত্ব কালত লোৱা উল্লেখযোগ্য প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে জানিব।
- মোগলসকলৰ ভূমি নীতিৰ লগত পৰিচয় হ'ব।
- মনচবদাৰী প্ৰথাৰ বিষয়ে অৱগত হ'ব।

চমু পৰিচয় ঃ

পাঠ্যপুথিৰ চতুৰ্দশ আৰু পঞ্চদশ অধ্যায়ত তোমালোকে ক্ৰমে মধ্য যুগৰ ভাৰত আৰু দিল্লীৰ চুলতানসকলৰ বিষয়ে পঢ়ি আহিছা। চতুৰ্দশ অধ্যায়ত তোমালোকে মোগলসকলৰ বিষয়েও কিছু আভাস পাইছা। এই পাঠত তোমালোকক মোগল শাসনৰ কেইটিমান দিশৰ লগত পৰিচয় কৰোৱাৰ চেষ্টা কৰা হ'ব।



এইখিনিতে তোমালোকে এটা কথা জানি থোৱা যে— আমি যিখন বিশাল ভাৰত ৰাষ্ট্ৰৰ নাগৰিক হিচাপে গৰ্ববোধ কৰো এইখন ভাৰতবৰ্ষৰ বুকুত অজস্ৰ সৰু-বৰ ৰাজ্যৰ উত্থান-পতন হৈছিল। প্ৰাক্ ঐতিহাসিক যুগৰ পৰা আৰম্ভ কৰি মোগলসকলৰ দিনলৈ ৰাজত্ব কৰা ৰজাসকলৰ বহুকেইজনেই এখন একত্ৰিত ভাৰতবৰ্ষৰ কল্পনা কৰিছিল। কিন্তু আমি একত্ৰিত ভাৰতবৰ্ষৰ এখন অস্পষ্ট ছবি কেৱল মাত্ৰ মহামতি অশোক আৰু আকবৰৰ ৰাজত্ব কালতহে পাইছোহঁক। আকবৰ আছিল মোগলসকলৰ তৃতীয় আৰু শ্ৰেষ্ঠ সম্ৰাট।

তোমালোকে তাজমহল দেখিছানে? ফটেহপুৰ চিক্ৰী, বুলন্দ দৰৱাজা, হুমায়ুনৰ সমাধি, আগ্ৰা ফোৰ্ট, ম'তি মছজিদ, দেৱান-ই-খাচ, দেৱান-ই-আম, পঞ্চমহল এইবোৰৰ নাম শুনিছানে? নিশ্চয় শুনিছা। কিছুমানে দেখিছাওঁ। এইবোৰ আমাৰ ভাৰতবৰ্ষৰ ঐতিহ্য। কেতিয়া বাৰু এইবোৰ সাজি উলিওৱা হৈছিল?

এই কথাবোৰ জানিবৰ বাবে আমি আজিৰ পৰা প্ৰায় ৪৯০ বছৰ মান আগলৈ উভতি যাব লাগিব। আমি আগতে পাই আহিছো যে ভাৰতবৰ্ষত মুছলমানসকলে শাসনকাৰ্য আৰম্ভ কৰিছিল ১২০৬ খ্ৰীঃত। এই মুছলমানসকলে ১২০৬ খ্ৰীঃৰ পৰা ১৮৫৭ খ্ৰীঃৰ চিপাহী বিদ্ৰোহৰ সময়লৈ ভাৰতবৰ্ষত শাসন কৰিছিল। ইয়াৰ ভিতৰত মোগলসকলে ভাৰতবৰ্ষ শাসন কৰিছিল ১৫২৬ খ্ৰীঃৰ পৰা ১৮৫৭ খ্ৰীঃলৈ। ১৭০৭ খ্ৰীঃত ঔৰংগজেবৰ মৃত্যুৰ পিছত মোগল শাসন দুৰ্বল হৈ পৰিছিল। ১৭০৭ খ্ৰীঃৰ পৰা ১৮৫৭ খ্ৰীঃলৈ মোগলসকল নামতহে ভাৰতবৰ্ষৰ শাসক আছিল। এই সময়ছোৱাত ভাৰতবৰ্ষত

স্থানীয় কেইটিমান ৰাজবংশই বিভিন্ন স্থানত অতি শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছিল। এটা সময়ত তেওঁলোকৰ পৰাক্ৰমৰ আগত মোগলসকল নিষ্প্ৰভ হৈ পৰিছিল। সেয়ে ক'ব পাৰি যে প্ৰকৃততে ভাৰতবৰ্ষত মোগলসকলে শাসন কৰিছিল প্ৰায় ১৮১ বছৰ। বাবৰৰ সিংহাসন আৰোহণৰ সময়ৰ পৰা শেষ মোগল সম্ৰাট দ্বিতীয় বাহাদুৰছাহলৈ হিচাপ কৰিলে মোগলসকলৰ শাসন কাল প্ৰায় ৩৩০ বছৰ। আগৰ পাঠত তোমালোকে মোগল সম্ৰাটসকলৰ একাদিক্ৰমে নাম আৰু ৰাজত্বকালৰ সময়ৰ ধাৰণা পাই আহিছা।

ওপৰত তোমালোকে মোগল স্থাপত্য শিল্পকলাৰ কিছু নাম পাইছাহঁক। মোগল যুগত এনেকুৱা অনেক স্থাপত্য শিল্পৰ সৃষ্টি হৈছিল। এই পুথিৰ পৰৱৰ্তী অধ্যায়ত এই বিষয়ে কিছু কথা জানিব পাৰিবা। মোগলৰ ইতিহাস পঢ়িলে এই বিষয়ে আৰু বিতংকৈ জানিব পাৰিবাহঁক।

মোগল সাম্ৰাজ্যৰ পটভূমি ঃ

কাষৰ মানচিত্ৰখনলৈ চোৱা। এইখন সম্ৰাট ঔৰংগজেৱৰ ৰাজত্ব কালৰ আনুমানিক মানচিত্ৰ। দিল্লীৰ ওচৰৰ **পাণিপথ** নামৰ ঠাইখিনিতেই বাবৰে লোডী বংশৰ সম্ৰাট ইব্ৰাহিম লোডীক যুদ্ধত হৰুৱাই দিল্লী হস্তগত কৰিছিল। এইখনেই ইতিহাস প্ৰসিদ্ধ পাণিপথৰ প্ৰথম যুদ্ধ (১৫২৬)। পাণিপথৰ প্ৰথম যুদ্ধই ভাৰতত মোগল সাম্ৰাজ্যৰ ভেটি স্থাপন কৰিছিল। ভাৰতলৈ অহাৰ পূৰ্বে বাবৰে কাবুলত নিজ সাম্ৰাজ্য স্থাপন কৰিছিল।

মানচিত্ৰ ১৬.১ মোগল সাম্ৰাজ্যৰ বিস্তৃতি

পাণিপথৰ যুদ্ধৰ পিচত বাবৰে ১৫২৭ খ্ৰীঃত খানুৱাৰ ৰণত মেৱাৰৰ ৰাণা সংগ্ৰাম সিংহক পৰাস্ত কৰি সমগ্ৰ মেৱাৰ দখল কৰে। ১৫২৯ খ্ৰীঃত ঘঘ্ৰাৰ যুদ্ধত বিহাৰৰ আফগানসকলক পৰাস্ত কৰি বিহাৰো দখল কৰে। এইদৰে বাবৰে বংগৰ পৰা গোৱালিয়ৰলৈকে সমগ্ৰ অঞ্চল জয় কৰি এক বিশাল ভূ-খণ্ডত শাসন চলায়। এইখনেই আমাৰ আলোচনাৰ মোগল সাম্ৰাজ্যৰ আৰম্ভণি।

পাণিপথৰ যুদ্ধত ব্যৱহৃত কামান

জানি থওঁ আহা ঃ

বাবৰে স্ব-ইচ্ছাই ভাৰত আক্ৰমণ কৰিবলৈ অহা নাছিল। কাবুলত বাবৰৰ শাসন সুদৃঢ়ভাৱে প্ৰতিষ্ঠা হোৱা দেখি ভাৰতৰ কিছুমান শক্তিয়ে বাবৰক ভাৰত আক্ৰমণ কৰিবলৈ উচটনি দিছিল। তেওঁলোকে ভাবিছিল যে টাইমুৰ আৰু ছেংগিজখানৰ দৰে বাবৰেও দিল্লী আক্ৰমণ কৰি ধন-সোণ লুটি নি নিজ দেশলৈ উভতি যাব আৰু তেতিয়াই তেওঁলোকে নিজে দিল্লীৰ সিংহাসনত বহিব পাৰিব।

বাবৰে স্থাপন কৰা এই ৰাজ্যখনকে পৰৱৰ্তী সম্ৰাট আকবৰ, জাহাংগীৰ, ছাহজাহান আৰু ঔৰংগজেৱে পৰ্যায় ক্ৰমে এখন এখনকৈ নতুন ৰাজ্যৰ সংযোজনেৰে এখন বিশাল সাম্ৰাজ্যত পৰিণত কৰে। ঔৰংগজেৱৰ সময়ত মোগল সাম্ৰাজ্যৰ বিস্তৃতি পূবে বংগৰ পৰা পশ্চিমে গুজৰাটলৈ আৰু উত্তৰে কাবুলৰ পৰা দক্ষিণে কৰ্ণাটকলৈ আছিল।

ঔৰংগজেৱে আমাৰ ৰাজ্য অসমকো মোগলৰ অধীন কৰিবলৈ বিচাৰিছিল। সেই উদ্দেশ্যে বংগৰ চুবেদাৰ মিৰজুম্‌লাক অসম আক্ৰমণ কৰিবলৈ পঠিয়াইছিল। সেই সময়ত অসমত আহোম ৰজা আছিল জয়ধ্বজ সিংহ। মিৰজুম্‌লাই অসমৰ একাংশ দখলো কৰিছিল। কিন্তু জয়ধ্বজ সিংহৰ পৰৱৰ্তী আহোম ৰজাই মোগলক খেদি পঠিয়াই হেৰোৱা ৰাজ্য পুনৰুদ্ধাৰ কৰে।

ক্ৰিয়াকলাপ ঃ

- পাঠৰ মানচিত্ৰখন চাই ঔৰংগজেৱে আকবৰৰ সাম্ৰাজ্যত কি কি নতুন ঠাইৰ সংযোজন ঘটালে লিখি উলিওৱা।
- মানচিত্ৰখন আৰু ভূচিত্ৰাৱলী চাই পাণিপথ, আগ্ৰা, মেৱাৰ, চুৰাট, গণ্ডোৱানা, বিজাপুৰ আৰু গোলকুণ্ডা বৰ্তমান কোন কোন ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছে লিখি উলিওৱা।

মোগলৰ প্ৰশাসনিক ব্যৱস্থা ঃ

বৰ্তমান ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাৰ ইতিহাস অধ্যয়ন কৰিলে এটা কথা স্পষ্ট হয় যে এই প্ৰশাসনিক ব্যৱস্থা একেদিনাই গঢ়ি উঠা নাই। অতীজৰে পৰা ভাৰতত ৰাজত্ব কৰা ৰজাসকলৰ প্ৰশাসনিক ব্যৱস্থাৰ ইতিবাচক দিশসমূহৰ ই এক সুনিৰ্দিষ্ট সংযোজন। বৰ্তমান ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত ইংৰাজ শাসন ব্যৱস্থাৰ নীতিসমূহৰ ব্যাপক প্ৰয়োগ ঘটা দেখা যায়। মোগল সম্ৰাটসকলৰ শাসন ব্যৱস্থাৰ কিছু প্ৰভাৱ বৰ্তমানৰ শাসন ব্যৱস্থাত নপৰা নহয়। মোগলসকলৰ শাসন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিলে এই কথাৰ উমান পোৱা যাব। অৱশ্যে এইখিনিতে কোৱা উচিত হ'ব যে মোগল শাসন ব্যৱস্থা আকৌ ছেৰছাহৰ শাসন ব্যৱস্থাৰ দ্বাৰা যথেষ্ট প্ৰভাৱিত হৈছিল।

ছেৰছাহ

ছেৰছাহ ঃ

১৪৭২ খ্ৰীঃত পঞ্জাৱত ছেৰছাহৰ জন্ম হৈছিল। তেওঁ দিল্লীত শূৰবংশ প্ৰতিষ্ঠা কৰে। অদম্য সাহস আৰু বিচক্ষণতাৰ গুণত এজন সাধাৰণ আফগান জায়গীৰদাৰৰ পুত্ৰ ছেৰছাহে পিছলৈ দিল্লীৰ শাসনকৰ্তা হৈ ভাৰতৰ ইতিহাসত নিজৰ নাম উজ্জ্বল কৰি থৈ গৈছে। ১৫৩৯ খ্ৰীঃত চৌচাৰ যুদ্ধত দ্বিতীয় মোগল সম্ৰাট হুমায়ুনক পৰাস্ত কৰি আগ্ৰা আৰু দিল্লী দখল কৰি তেওঁ দিল্লীৰ চুলতান হয়। মাত্ৰ পাঁচ বছৰ ৰাজত্ব কৰা ছেৰছাহৰ ৰাজত্ব কাল ভাৰতৰ ইতিহাসত এক যুগান্তকাৰী সময়। সামৰিক শাসন, প্ৰশাসনিক ব্যৱস্থা, ধৰ্ম নীতি, ভূমিনীতি, অৰ্থনীতি, মুদ্ৰা ব্যৱস্থা, শুল্ক ব্যৱস্থা, বেহা-বেপাৰ, ডাক ব্যৱস্থা সকলো দিশতে ছেৰছাহে এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিছিল। বিশেষকৈ পুলিচ সেৱা প্ৰৱৰ্তন, কৰ বিষয়া নিয়োগ, ভূমিৰ পট্টা প্ৰদান, ৰূপৰ মুদ্ৰা 'ৰূপী'ৰ প্ৰচলন, গ্ৰেণ্ড ট্ৰাংক ৰোড নিৰ্মাণ, ডাক ব্যৱস্থাত ঘোৰাৰ প্ৰয়োগ তেওঁৰ শাসন কালৰ অন্যতম কীৰ্তি। ছেৰছাহৰ জীৱনী পঢ়ি তেওঁৰ বিষয়ে বিতংকৈ জানি লবাহঁক।

আহাঁচোন এতিয়া আমি মোগল শাসন ব্যৱস্থাৰ বিষয়ে থোৰতে কিছু কথা জানি লওঁ। বাবৰে স্থাপন কৰা মোগল

জানি থওঁ আহা

◎ মোগল সম্ৰাটসকলৰ উত্তৰাধিকাৰ নিৰ্বাচনৰ কোনো স্থায়ী নীতি নাছিল। সম্ভৱত সেয়েহে কোনো এজন মোগল সম্ৰাটৰ মৃত্যুৰ পিচত উত্তৰাধিকাৰী নিৰ্বাচনৰ বাবে মোগল শাসকসকলৰ মাজত যথেষ্ট বিবাদ হৈছিল।

সাম্ৰাজ্যৰ ভেটি সুদৃঢ় কৰিছিল সম্ৰাট আকবৰে। প্ৰকৃততে মোগল শাসন ব্যৱস্থা আৰবীয়, পাৰ্চী আৰু স্থানীয় ভাৰতীয় শাসন ব্যৱস্থাৰ সংমিশ্ৰণ। মোগল সম্ৰাটসকল আছিল শাসনৰ সৰ্বময় শক্তি। তেওঁলোকৰ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ হ'ব নোৱাৰিছিল বৰং বিদ্ৰোহহে হৈছিল। সম্ৰাটক পৰামৰ্শ দিবলৈ এখন সভা আছিল। কেন্দ্ৰীয় শাসন, প্ৰাদেশিক শাসন, সামৰিক শাসন, বিচাৰ ব্যৱস্থা, কৰ-কাটলৰ ব্যৱস্থা, মনচবদাৰী প্ৰথা আদি সু-শৃঙ্খল ব্যৱস্থাৰ যোগেদি মোগল সম্ৰাটসকলে সু-বিশাল সাম্ৰাজ্যখন নিয়াৰিকৈ শাসন কৰিছিল।

কেন্দ্ৰীয় শাসনত ৰজাৰ পিচতে এখন মন্ত্ৰীসভা আছিল। আজিকালিৰ মন্ত্ৰীৰ নিচিনা সেই কালৰ মন্ত্ৰীসকলৰ ক্ষমতা নাছিল। বৰং তেওঁলোকক মন্ত্ৰী নুবুলি সচিব বোলাহে যুগুত হ'ব।

মন্ত্ৰীসকলৰ ভিতৰত ৱকিল বা ৱাজী, দেৱান, মীৰবক্‌ট, মীৰ চামান, সদৰ উচ-চুদুৰ আছিল প্ৰধান। ৱাজীৰ আছিল সাম্ৰাজ্যৰ ৰাজহ বিভাগৰ মুৰব্বী বিষয়া। অন্যহাতে কেন্দ্ৰীয় আয়-ব্যয়ৰ হিচাব ৰখা দায়িত্ব দিৱানৰ ওপৰত ন্যস্ত আছিল। সামৰিক বিভাগৰ মুখ্য বিষয়া আছিল মীৰবক্‌ট।

প্ৰদেশবোৰৰ শাসন কাৰ্য কেন্দ্ৰীয় শাসনৰ দৰেই পৰিচালনা কৰা হৈছিল। প্ৰদেশৰ শাসনকৰ্তা চুবেদাৰৰ তলত দিৱান, ফৌজদাৰ আৰু ফটোৱাল নামৰ একোগৰাকী বিষয়া আছিল। ৰাজহ ব্যৱস্থাৰ বিচাৰ দিৱানসকলে আৰু ফৌজদাৰী বিবাদৰ বিচাৰ ফৌজদাৰ আৰু ফটোৱালসকলে কৰিছিল। মোগল শাসন ব্যৱস্থাত সম্ৰাট আৰু প্ৰজাৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক নাছিল। সমাজত তিনি শ্ৰেণীৰ লোক আছিল— অভিজাত, মধ্যবিত্ত আৰু সাধাৰণ শ্ৰেণী।

মোগল ৰাজসভা

মোগল ৰাজত্ব কালত বিচাৰ ব্যৱস্থাৰ সু-শৃঙ্খল নীতি নাছিল। সুকীয়া বিচাৰালয়ো নাছিল। সম্ৰাটেই আছিল শাসন আৰু বিচাৰৰ কেন্দ্ৰ। বিচাৰ ব্যৱস্থা পৰিচালিত হৈছিল কোৰাণৰ নীতি-নিৰ্দেশনা মতে। প্ৰদেশবোৰৰ শাসনকৰ্তা চুবেদাৰসকলৰ বিচাৰৰ ক্ষমতা আছিল অতি কম। বেছি ভাগ ক্ষেত্ৰতে চুবেদাৰসকলে যিকোনো বিচাৰ নিষ্পত্তিৰ বাবে সম্ৰাটৰ ওচৰলৈ পঠিয়াইছিল। গাঁও পৰ্যায়ত মোকৰ্দমা নিষ্পত্তি হৈছিল। গাঁও পঞ্চায়ত পৰ্যায়ত পঞ্চায়তে বাছি দিয়া লোকৰ দ্বাৰা বিচাৰ কাৰ্য সমাপন কৰা হৈছিল।

ভূমি নীতি ঃ

প্ৰথমাৱস্থাত মোগলসকলে ভূমি নীতিৰ ক্ষেত্ৰত পূৰ্বৰ চুলতানী আমোলৰ নীতিকে বাহাল ৰাখিছিল। মাটিৰ গৰাকী আছিল ৰজা নিজে। কিছুমান স্বৰ্ত সাপেক্ষে ৰজাই এই মাটিত কৃষকসকলক খেতি কৰিবলৈ অনুমতি দিছিল। কৃষকসকলৰ সতি-সন্ততিয়ে উত্তৰাধিকাৰী সূত্ৰে এই মাটি ভোগ কৰিব পাৰিছিল। এই মাটি প্ৰয়োজন সাপেক্ষে অন্য কৃষককো বিক্ৰী কৰিব পাৰিছিল। অৱশ্যে এই মাটি কৃষি কৰ্মৰ বাবেহে ব্যৱহাৰ কৰিব লাগিছিল। **'কাননগো'** নামৰ এক শ্ৰেণীৰ বিষয়াই এই মাটিবোৰৰ পৰা কৰ-কাটল সংগ্ৰহ কৰিছিল। পাছলৈ এইসকল বিষয়া দুৰ্নীতিত লিপ্ত হোৱাৰ উমান পাই সম্ৰাট

আকবৰে এওঁলোকৰ পৰিৱৰ্তে **'কাৰৰি'** নামৰ এক শ্ৰেণীৰ নতুন বিষয়া নিযুক্তি দিয়ে। আকবৰে তেওঁৰ ৰাজীৰ টোডৰমলৰ হতুৱাই সকলো আবাদী মাটি জৰীপ কৰোৱাইছিল। জৰীপৰ অন্তত মাটিবোৰৰ গুণানুসৰি চাৰি শ্ৰেণীত বিভক্ত কৰিছিল। এই মাটিবোৰৰ কৰ নিৰূপণ ভিন্ন ভিন্ন আছিল। মাটিৰ গড় উৎপাদনৰ এক-তৃতীয়াংশ কৰ হিচাপে আদায় কৰিছিল। টোডৰমলে এই কৰসমূহ দহ বছৰৰ বাবে নিৰ্ধাৰণ কৰিছিল। কৰসমূহ নগদ ধন নাইবা উৎপাদিত শস্যৰ পৰাও সংগ্ৰহ কৰা হৈছিল। আকবৰৰ দিনত খেতিয়কসকলৰ উন্নতিৰ বাবে ৰাজভঁৰালৰ পৰা সহজ কিস্তিত আদায় দিব পৰা কিছুমান ঋণ আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছিল। তদুপৰি অনাৱশ্যক বুলি ভবা কিছুমান কৰ সম্ৰাট আকবৰে উঠাই দিছিল।

জানি থওঁ আহা ঃ

মোগলসকলে মাটিবোৰক চাৰি শ্ৰেণীত ভাগ কৰিছিল—

১। পোলাজ (যি বিলাক মাটিত প্ৰতিবছৰে খেতি হয়),

২। পাৰাউটি (যি বিলাক মাটিত মাজে-সময়ে খেতি বন্ধ কৰি মাটিখিনি উৰ্বৰ কৰা হয়)

৩। চাচ্চাৰ (যি মাটিত ৩/৪ বছৰ খেতি কৰা নহয়), আৰু

৪।বানজাৰ (যি মাটি ৫ বছৰ বা তাতোধিক কাল খেতি নোহোৱাকৈ পৰি থাকে)

মনচবদাৰী প্ৰথা ঃ

মুছলমানসকলে ভাৰতবৰ্ষৰ এটি ক্ষুদ্ৰ অঞ্চল জয় কৰি তুৰ্কী-আফগান শাসনৰ পাতনি মেলিছিল। লাহে লাহে এই ৰাজ্যই বিস্তৃতি লাভ কৰে। মোগল শাসকসকলৰ দিনত ইৰাণী, দেশীয় মুছলমান, আফগান, ৰাজপুত, মাৰাঠা আদি বিভিন্ন জাতিয়ে শাসন কৰা ৰাজ্যসমূহ মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল। মোগলসকলে এই সকলো জনগোষ্ঠীৰ লোকক মোগল শাসনত নিয়োগ কৰি তেওঁলোকক মনচবদাৰ পাতিছিল।

এইখিনিতে তোমালোকে মনচবদাৰ প্ৰথাৰ বিষয়ে কিছু কথা জানি থোৱা। মনচবদাৰ প্ৰথাৰ লগত ভূমিৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক নাছিল। প্ৰকৃততে মনচবদাৰ প্ৰথা মোগল শাসন নীতিৰ এটা অংশ। মনচবদাৰ শব্দটোৱে পদ-মৰ্যদা বা উপাধি বুজায়। ইতিহাসবিদসকলৰ মতে ১৫৭৭ খ্ৰীঃত মহামতি আকবৰে মোগল শাসন ব্যৱস্থাত এই মনচবদাৰ প্ৰথাৰ প্ৰচলন কৰে। এই প্ৰথা পাৰস্য দেশৰ পৰা অনুকৰণ কৰা বুলি অনুমান কৰা হয়। সম্ভৱত সামৰিক বাহিনীটো শক্তিশালী কৰা, সকলো জাতি-জনজাতিক শাসনত জড়িত কৰা তথা তেওঁলোকক সন্তুষ্ট কৰি ৰখাৰ প্ৰয়াসেৰে তেওঁ এই প্ৰথাৰ প্ৰৱৰ্তন কৰা যেন অনুমান হয়। উল্লেখ্য যে উত্তৰাধিকাৰ সূত্ৰে কোনেও মনচবদাৰ হ'ব নোৱাৰিছিল।

সৈন্য-সামন্তৰে সৈতে এজন মনচবদাৰ

আকবৰে তেওঁৰ সামৰিক বাহিনীক একোটাকৈ গোটত বিভক্ত কৰি প্ৰত্যেক গোটতে মনচবদাৰ নিয়োগ কৰিছিল। একোটা মনচবত দহৰ পৰা দহ হাজাৰলৈকে সৈন্য আছিল। মনচবদাৰসকলৰ ভিতৰত আটাইতকৈ সৰুজন দহজন সৈন্যৰ মনচবদাৰ আছিল। আকবৰৰ তিনিজন পুত্ৰক আটাইতকৈ ডাঙৰ মনচবদাৰ প্ৰদান কৰা হৈছিল। এই ব্যৱস্থা অনুসৰি যুৱৰাজ চেলিম, মুৰাদ আৰু ডেনিয়েলে যথাক্ৰমে দহ হাজাৰ, আঠ হাজাৰ আৰু সাত হাজাৰ সৈন্যৰ মনচব পাইছিল।

মনচবদাৰসকলৰ নিয়োগ আৰু পদোন্নতি সম্পূৰ্ণৰূপে সম্ৰাটৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিছিল। পদমৰ্যদা

অনুসৰি মনচবদাৰসকলৰ পাৰিতোষিক নিৰ্দিষ্ট কৰা হৈছিল। এই পাৰিতোষিক নগদ ধনৰ পৰিৱৰ্তে জায়গীৰ প্ৰদানৰ দ্বাৰা কৰা হৈছিল। এই জায়গীৰৰ পৰা মনচবদাৰসকলে নিৰ্দিষ্ট পৰিমাণৰ পাৰিতোষিক ল'ব পাৰিছিল।

জানি থওঁ আহা ঃ

- সম্ৰাট আকবৰৰ পূৰ্বৰ সম্ৰাটসকলৰ দিনত জায়গীৰ প্ৰথাৰ প্ৰচলন আছিল। মোগল সম্ৰাটসকলক এই জায়গীৰৰ মালিকসকলে সৈন্য-সামন্তৰ যোগান ধৰিছিল। সেয়েহে বহু সময়ত সম্ৰাট জায়গীৰসকলৰ ওপৰত নিৰ্ভৰশীল আছিল। কেতিয়াবা সম্ৰাটসকল জায়গীৰদাৰৰ দ্বাৰা প্ৰৱঞ্চিত হ'ব লগাও হৈছিল। অনেক ত্ৰুটিযুক্ত জায়গীৰ প্ৰথাৰ অৱসান ঘটাই আকবৰে মনচবদাৰ প্ৰথাৰ প্ৰচলন কৰে। আকবৰৰ শাসন কালত মনচবদাৰ আছিল ২৯ জন। ঔৰংগজেৱৰ সময়ত এই সংখ্যা বাঢ়ি গৈ ৭৯ জনলৈ বৃদ্ধি পাইছিল।

সম্ৰাট আকবৰে জায়গীৰবোৰৰ উৎপাদন ক্ষমতা নিৰূপন কৰি মনচবদাৰৰ পাৰিতোষিকৰ লগত সমতা স্থাপনৰ ব্যৱস্থা লৈছিল। অৱশ্যে ঔৰংগজেৱৰ দিনত এই সমতা নোহোৱা হৈছিল। যথেষ্ট সংখ্যক মনচবদাৰৰ সৃষ্টি হোৱাৰ ফলত জায়গীৰৰ সংখ্যা কমি গৈছিল। ফলত মনচবদাৰসকলে পাবলগীয়া পাৰিতোষিক পোৱাত সমস্যাৰ উদ্ভৱ হৈছিল। বহুত মনচবদাৰে জায়গীৰ লাভ কৰিবলৈ দীঘলীয়া সময়ো অপেক্ষা কৰিবলগীয়া হৈছিল। অতিৰিক্ত কৰ আদায়ৰ বাবে কিছুমান মনচবদাৰে কৃষকৰ পৰা অত্যধিক কৰ আদায় কৰিছিল। সেয়ে ঔৰংগজেৱৰ শাসন কালত কৃষকসকলে হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছিল।

মনত ৰাখিবলগীয়া কথা

- ভাৰতবৰ্ষত চুলতানী আমোলৰ সময়ছোৱা হ'ল ১২০৬ খ্ৰীঃৰ পৰা ১৫২৬ খ্ৰীঃলৈ। আকৌ মোগল সম্ৰাটসকলৰ শাসনৰ সময় ১৫২৬ খ্ৰীঃৰ পৰা ১৮৫৭ খ্ৰীঃলৈ।
- ১৫২৬ খ্ৰীঃৰ পাণিপথৰ প্ৰথম যুদ্ধত বাবৰে লোডী বংশৰ চুলতান ইব্ৰাহিম লোডীক যুদ্ধত হৰুৱাই মোগল সাম্ৰাজ্যৰ পাতনি মেলে।
- বাবৰ, হুমায়ুন, আকবৰ, জাহাংগীৰ, ছাহজাহান আৰু ঔৰংগজেৱ মোগল সাম্ৰাজ্যৰ উল্লেখযোগ্য সম্ৰাট।
- ঔৰংগজেৱৰ সময়ত মোগল সাম্ৰাজ্যৰ বিস্তৃতি সৰ্বাধিক হৈছিল।
- ১৭০৭ খ্ৰীঃত সম্ৰাট ঔৰংগজেৱৰ মৃত্যুৰ সময়ৰ পৰা মোগল সাম্ৰাজ্যৰ পতন আৰম্ভ হয়।
- বৰ্তমান ভাৰতৰ শাসন ব্যৱস্থাত মোগল শাসন ব্যৱস্থাৰ কিছু প্ৰভাৱ পৰা দেখা যায়।
- ছেৰছাহৰ শাসন ব্যৱস্থা ভাৰতৰ ইতিহাসৰ এটি উল্লেখনীয় অধ্যায়।
- মোগল সম্ৰাটসকলৰ শাসন ব্যৱস্থাৰ কিছুমান বিশেষ বৈশিষ্ট্য আছিল।
- মনচবদাৰী প্ৰথা আৰু জায়গীৰদাৰী প্ৰথা মোগল শাসনকালৰ দুটা উল্লেখযোগ্য উপাদান।
- মোগল সম্ৰাটসকল নিজেই মাটিৰ গৰাকী আছিল যদিও উপযুক্ত কৰৰ বিনিময়ত খেতিয়ক শ্ৰেণীটোৱে মাটি ভোগ কৰিছিল।

অনুশীলনী ঃ

১। উত্তৰ দিয়া—

(ক) ভাৰতবৰ্ষত মুছলমানসকলে কেতিয়াৰ পৰা শাসনকাৰ্য আৰম্ভ কৰিছিল?

(খ) পাণিপথৰ প্ৰথম যুদ্ধ কিমান চনত সংঘটিত হৈছিল?

(গ) ঔৰংগজেৱে কাক অসম আক্ৰমণ কৰিবলৈ পঠিয়াইছিল?

(ঘ) মোগলৰ শাসন ব্যৱস্থাত শাসনৰ সৰ্বোচ্চ ক্ষমতা কাৰ হাতত ন্যস্ত আছিল?

(ঙ) মনচবদাৰী প্ৰথা কোনে প্ৰৱৰ্তন কৰিছিল?

২। শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰা—

(ক) ভাৰতবৰ্ষত মোগলসকলে ১২০৬ খ্ৰীঃৰ পৰা ১৮৫৭ খ্ৰীঃলৈ ৰাজত্ব কৰিছিল।

(খ) মোগল সাম্ৰাজ্যৰ অন্তৰ্গত প্ৰদেশবোৰৰ চুবেদাৰসকলৰ বিচাৰ ক্ষমতা অসীম আছিল।

(গ) বাবৰৰ ৰাজ্য বংগৰ পৰা গোৱালিয়ৰলৈকে বিস্তৃত আছিল।

(ঘ) মিৰজুম্‌লাৰ আক্ৰমণৰ সময়ত অসমৰ ৰজা আছিল জয়ধ্বজ সিংহ।

(ঙ) মনচবদাৰ শব্দটোৱে মাটিৰ গৰাকীক বুজায়।

৩। খালি ঠাই পূৰণ কৰা—

(ক) ____________ মোগলসকলৰ তৃতীয় আৰু শ্ৰেষ্ঠ সম্ৰাট।

(খ) মোগলৰ বিচাৰ ব্যৱস্থা পৰিচালিত হৈছিল ____________ নীতি-নিৰ্দেশনা মতে।

(গ) মোগলসকলে কৰ-কাটলৰ বাবে মাটিক ____________ ভাগত ভাগ কৰিছিল।

(ঘ) ____________ খ্ৰীঃত মহামতি 'আকবৰে' মোগল শাসন ব্যৱস্থাত মনচবদাৰী প্ৰথাৰ প্ৰচলন কৰে।

(ঙ) আকবৰৰ শাসনকালত মনচবদাৰ আছিল ____________ জন।

৪। চমু উত্তৰ লিখা—

(ক) একত্ৰিত ভাৰতবৰ্ষৰ সপোন আশিংকভাৱে কাৰ্যকৰী কৰিবলৈ সক্ষম হোৱা সম্ৰাট দুজন কোন কোন আছিল?

(খ) ঔৰংগজেৱৰ সাম্ৰাজ্যৰ বিস্তৃতি ক'ৰ পৰা ক'লৈ আছিল?

(গ) মোগলৰ প্ৰাদেশিক শাসন ব্যৱস্থাত চুবেদাৰৰ তলৰ বিষয়াবোৰ কোন কোন?

(ঘ) মোগলসকলৰ শাসন কালত মাটিক কেই ভাগত ভাগোৱা হৈছিল আৰু ভাগবোৰ কি কি?

(ঙ) মনচবদাৰসকলক কিদৰে পাৰিতোষিক দিয়া হৈছিল?

৫। ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা—

(ক) মোগলসকলৰ বিচাৰ ব্যৱস্থা। (খ) মনচবদাৰী প্ৰথা।

✧✧✧✧✧✧